# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

নাগৰিকত্ব সংশোধনী আইন সম্পৰ্কীয় গোচৰ সন্দৰ্ভত আজি উচ্চতম ন্যায়ালয়ত শুনানি গ্ৰহণ কৰা হয়। ২৩৭ খন আবেদনৰ ওপৰত আদালতৰ জ্যেষ্ঠ অধিবক্তাসকলে যুক্তি দৰ্শায়। এই যুক্তি অনুসৰি কেন্দ্ৰীয় চৰকাৰলৈ আদালতে জাননী জাৰি কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ে ২ এপ্ৰিলৰ ভিতৰত আবেদনকাৰী আৰু চৰকাৰী পক্ষক ৫ পৃষ্ঠাৰ লিখিত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়াৰ লগতে ৮ এপ্ৰিলৰ ভিতৰত চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। ৯ এপ্ৰিলত এই আইনৰ স্থগিতাদেশ সম্পৰ্কত পৰৱৰ্তী শুনানি গ্ৰহণ কৰা হ'ব। এই আইনৰ ক্ষেত্ৰত অসম আৰু ত্ৰিপুৰাৰ সৈতে জড়িত গোচৰৰ বাবে পৃথকে পৃথকে শুনানি গ্ৰহণ কৰা হ'ব বুলিও আদালতে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, এই আইনৰ স্থগিতাদেশ বিচাৰি অসম বিধানসভাত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াৰ উপৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু সদৌ অসম ছাত্ৰ সন্থাই আবেদন দাখিল কৰিছিল।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮ খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫খনকৈ, মণিপুৰ, মেঘালয় আৰু অৰুণাচল প্ৰদেশত দুখনকৈ, ছত্তিশগড়, মিজোৰাম, নগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীত এখনকৈ আসনৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। চলিত মাহৰ ২৭ তাৰিখলৈকে মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দেশত সৰ্বমুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব। নিৰ্বাচন আয়োগ দেশৰ এই সৰ্ববৃহৎ সাধাৰণ নিৰ্বাচন সুচাৰুৰূপে তথা নিৰাপদভাৱে অনুষ্ঠিত কৰাৰ বাবে বদ্ধপৰিকৰ। আয়োগে নিৰ্বাচনৰ সময়ছোৱাত দেখা দিব পৰা বিভিন্নধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে যথাযথ পৰিকল্পনা গ্ৰহণ কৰিছে। ধনবল, বাহুবলৰ লগতে ভুৱা তথ্য প্ৰচাৰ আৰু হিংসা তথা নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ দৰে ঘটনা এনে সময়ত ঘটিব পাৰে বুলি নিৰ্বাচন আয়োগে আশংকা প্ৰকাশ কৰিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত হ'ব পৰা যিকোনোধৰণৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ব্যৱস্থা কৰা হৈছে। জিলাসমূহত সমন্বিত নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা হৈছে। স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থাও কৰা হৈছে।

ooooo

আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। আজি লখিমপুৰ লোকসভা সমষ্টিৰ শদিয়াৰ অমৰপুৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাই প্ৰচাৰ চলায়। শিৱসাগৰৰ ৰুদ্ৰসাগৰ পঞ্চায়তত আজি আয়োজিত বিজেপিৰ এখন সাংগঠনিক সভাত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈ, মন্ত্ৰী যোগেন মহন, সাংসদ পল্লৱলোচন দাসকে ধৰি জিলা বিজেপিৰ বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। ইপিনে, বৰপেটা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নে আজি নলবাৰীত এখন দলীয় কৰ্মী সভাত অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলাৰ দুধনৈত আজি গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে নিৰ্বাচনী কাৰ্যালয় এটা মুকলি কৰে। তেওঁ লগতে দলীয় নেতা-কৰ্মীৰ সৈতে মত-বিনিময় কৰে। বাক্সা জিলাৰ থমনাত আসন্ন লোকসভা নিৰ্বাচন সম্পৰ্কত অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক জোন দাসে এখন সংবাদমেল সম্বোধন কৰে। নগাঁও জিলাৰ কলিয়াবৰত আজি মন্ত্ৰী পীযুষ হাজৰিকাই এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত মন্ত্ৰী কেশৱ মহন্ত, কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলা দণ্ডাধীশ সুমিত ছাত্তাৱানে এখন ৰাজহুৱা জাননীৰ জৰিয়তে জিলাখনৰ ভিতৰত সকলো অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰ ৭ দিনৰ ভিতৰত নিকটৱৰ্তী আৰক্ষী থানাত জমা দিবলৈ অনুজ্ঞাপত্ৰধাৰী ব্যক্তিসকলক নিৰ্দেশ দিছে।

কৰিমগঞ্জ জিলা উপায়ুক্তয়ো জিলাখনৰ অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰৰ গৰাকীসকলক শীঘ্ৰে সংশ্লিষ্ট থানাত অস্ত্ৰ-শস্ত্ৰবোৰ জমা দিবলৈ নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশটোত উল্লেখ কৰা মতে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত এইবোৰ উভতাই নিব পাৰিব। এই আদেশ অমান্য কৰিলে অস্ত্ৰ আইন ১৯৫৯ৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰি অনুজ্ঞাপত্ৰ বাতিল কৰিব পাৰিব।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। বিভিন্ন জিলাত প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। বাক্সা জিলাৰ বৰমাত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ আজি আৰম্ভ হয়।

০০০০০

সমাপ্ত